# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১৬৯/২০২০**

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম পেট্ৰ'কেমিকেলছ লিমিটেডে আগবঢ়ালে ২৫ লাখ টকা

**দিছপুৰ, ১০ এপ্ৰিলঃ** ক'ভিড -১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ অসম পেট্ৰ'কেমিকেলছ লিমিটেডে আজি ২৫ লাখ টকাৰ বৰঙনি আগবঢ়ায়। তদুপৰি কোম্পানীটোৰ বিষয়া-কৰ্মচাৰীৰ এদিনৰ দৰমহা ৫ লাখ ৩৬ হাজাৰ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বৰঙণি হিচাপে আগবঢ়ায়। এই ধনৰাশিৰ চেক মুখ্যমন্ত্ৰীক প্ৰদান কৰাৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, উদ্যোগ বিভাগৰ আয়ুক্ত সচিব কে কে দ্বিৱেদী, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ পৰিচালন সঞ্চালক অতুল বৰ্মন, কোম্পানীটোৰ সচিব উত্তম বাইলুং উপস্থিত থাকে। আনহাতে প্ৰজাপিতা ব্ৰহ্ম কুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ে কালি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ২ লাখ ৫০ হাজাৰ টকাৰ বৰঙণি আগবঢ়াইছে।

**পুঃডেঃ / বঃভাঃ**
**১০/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in